**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-MAR-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***

———————————————

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি যোৰহাটত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। এই উপলক্ষে বৰুৱা চাৰিআলিত বিয়লি ৫ বজাত বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। মুখ্যমন্ত্ৰী ডঃ শৰ্মাই ১৭৮ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰি উলিওৱা মণিৰাম দেৱান-পিয়ালী বৰুৱা উৰণ সেতু উদ্বোধন কৰিব। এই অনুষ্ঠানত কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা আদি বিভাগৰ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, বিত্তমন্ত্ৰী অজন্তা নেওগ, সাংসদ কামাখ্যা প্ৰসাদ তাছা, বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামী আৰু ৰূপজ্যোতি কুৰ্মীয়েও অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে ১৫৯ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰা স্বৰাজ উদ্যান, ২৫০ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰা লাচিত মৈদাম স্মাৰক আৰু সাংস্কৃতিক কেন্দ্ৰ, ১৯ কোটি টকা প্ৰকল্প ব্যয়ৰ যোৰহাট আভিযান্ত্ৰিক মহাবিদ্যালয়ৰ পুথিভঁৰাল ভৱন, ইনড'ৰ ষ্টেডিয়াম, ২০০ খন বিছনাযুক্ত ছাত্ৰাবাস আৰু ১ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা মইনা পৰীয়া নামঘৰ অতিথিশালা উদ্বোধন কৰিব। আনহাতে ডঃ শৰ্মাই ১৯ কোটি টকা ব্যয়ৰে নিৰ্মাণ হ'বলগীয়া বৰভেটি প্ৰাংগণৰ সংহত উন্নয়ন প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব।

০০০০০০

অহা ১৩ মাৰ্চৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসম ভ্ৰমণ কৰিব। এই ভ্ৰমণকালত প্ৰধানমন্ত্ৰীয়ে ৩৭ হাজাৰ ৫০০ কোটি ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্প মুকলি কৰিব আৰু আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰীয়ে প্ৰথমে কোকৰাঝাৰত এখন জনসভাত অংশ লৈ ৪ হাজাৰ ৫৭৪ কোটি টকাৰ আন্তঃগাঁথনি প্ৰকল্পৰ উদ্বোধন, আধাৰশিলা স্থাপন কৰিব। কোকৰাঝাৰৰ পৰা প্ৰধানমন্ত্ৰীলৈ গুৱাহাটীলৈ আহিব আৰু গুৱাহাটীত তেওঁ ৮ হাজাৰ ৮৪১ কোটি টকাৰ এলানি প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। শ্ৰীমোদীয়ে ৭৮০ কোটি টকা ব্যয় সাপেক্ষ নুমলীগড়-শিলিগুৰিত প্ৰডাক্ট পাইপ লাইনৰ ক্ষমতা বৃদ্ধি প্ৰকল্পৰ উদ্বোধন কৰিব। তেওঁ লগতে ৩ হাজাৰ ৬৩৩ কোটি টকা ব্যয় সাপেক্ষ তিনিচুকীয়া-ফৰকাটিং দ্বৈত ৰে'ল লাইন আৰু এহেজাৰ ১৮০ কোটি ব্যয়েৰে নিৰ্মাণ কৰা চাপৰমুখ-ডিব্ৰুগড় ৰে'লপথ বৈদ্যুতিকীকৰণ ৰে'লপথ প্ৰকল্প মুকলি কৰিব। তেওঁ ৰাজ্যৰ ২০ হাজাৰ চাহ শ্ৰমিকক ভূমিপট্টা বিতৰণৰ শুভাৰম্ভ কৰিব। প্ৰধানমন্ত্ৰীয়ে পশ্চিম কাৰ্বি আংলঙত দুহেজাৰ ৩২০ কোটি টকা ব্যক্ষ সাপেক্ষ কপিলী জলবিদ্যুৎ প্ৰকল্পৰ উৎপাদন প্ৰক্ৰিয়াৰো শুভাৰম্ভ কৰিব। ১৪ মাৰ্চত শিলচৰত শ্ৰীমোদীয়ে ২৪ হাজাৰ ৫০৫ কোটি টকাৰ প্ৰকল্পৰ আধাৰশিলা স্থাপন আৰু উদ্বোধন কৰিব।

আনহাতে ১৫ মাৰ্চত গৃহমন্ত্ৰী অমিত শ্বাহ অসমলৈ আহিব। সেইদিনা তেওঁ দিনৰ ১০ বজাত প্ৰাগজ্যোতিষপুৰ চিকিৎসা মহাবিদ্যালয় মুকলি কৰিব। দিনৰ ১১ বজাত তেওঁ বিজেপিয়ে আয়োজন কৰা যুৱ সন্মিলনত অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰীৰ অসম ভ্ৰমণ সন্দৰ্ভত সাংবাদিকৰ আগত এইদৰে কয়–

**বাইট (চি এম)**

০০০০০০

ৰাজ্য চৰকাৰৰ শিক্ষা, ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী উন্নয়ন বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি গোগামুখত কেইবাটাও সামাজিক অনুষ্ঠানৰ স্থায়ী কাৰ্যালয় ভৱনৰ আধাৰশিলা স্থাপন কৰে। গোগামুখ সাহিত্য

সভাৰ প্ৰাংগণত এই আধাৰশিলা স্থাপন কাৰ্যসূচী অনুষ্ঠিত হয়। অনুষ্ঠানত মিচিং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য পৰমানন্দ চায়েঙীয়া আৰু গোগামুখৰ ভালেসংখ্যক বিশিষ্ট লোক উপস্থিত থাকে। মন্ত্ৰী ডাঃ পেগুৱে গোগামুখ টাউন ক্লাবৰ ভৱন, গোগামুখ শতদল শাখা সাহিত্য ভৱন, লেখিকা সমাৰোহ সমিতিৰ কাৰ্যালয় আৰু গোগামুখ গণনাট্য বাহিনীৰ কাৰ্যালয়ৰ আধাৰশিলা স্থাপন কৰে।

০০০০০০

টাই ভাষা সাহিত্য আৰু সংস্কৃতিৰ উত্তৰণৰ দিশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা পূৰ্বাঞ্চল টাই সাহিত্য সভাৰ সাংস্কৃতিক ভৱনৰ সাংস্কৃতিক মন্ত্ৰী বিমল বৰাই কালি আধাৰশিলা স্থাপন কৰে। পূৰ্ণকান্ত বুঢ়াগোহাঁইৰ স্মৃতিত নিৰ্মাণ হ'বলগীয়া এই ভৱনে টাই সংস্কৃতি চৰ্চা আৰু সম্প্ৰসাৰণত তাৎপৰ্যপূৰ্ণ ভূমিকা পালন কৰিব বুলি মন্ত্ৰীগৰাকীয়ে ভাষণ প্ৰসংগত উল্লেখ কৰে। ৰাজ্যৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ ঐতিহ্য সংস্কৃতি সংৰক্ষণৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰ দৃঢ় প্ৰতিজ্ঞ বুলি মন্ত্ৰী শ্ৰীবৰাই মন্তব্য কৰে। অনুষ্ঠানত বিধায়ক চক্ৰধৰ গগৈ, পূৰ্বাঞ্চল টাই সাহিত্য সভাৰ সভাপতি অতুল ফুকনকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

০০০০০০

**সমাপ্ত**